জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

Portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

দ্বাবিংশতিতম বছৰ, সংখ্যা ২৫৮ ● শনিবাৰ ● ১৫ জেঠ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Saturday May 30, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা প্ৰ

Estd. 1945 Date........

## কানৈ মহাবিদ্যালয়ত অসম ভিত্তিত আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতা সম্পন্ন

# শ্ৰেষ্ঠ দল যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৯ মে' ঃ 'সপ্তজ্যোতি' কেৱল এখন কুইজ প্ৰতিযোগিতা নহয়, ই জ্ঞান, স্মৃতি আৰু প্ৰেৰণাৰ এক মিলনস্থলী। কুইজে ছাত্ৰ-ছাত্ৰীৰ বুদ্ধিমত্তা, আই কিউ আৰু প্ৰতিযোগিতামূলক মানসিকতা বিকাশত বিশেষ ভূমিকা পালন কৰে।' ভাৰতীয় ইতিহাস সংকলন সমিতি, ডিব্ৰুগড় জিলাৰ উদ্যোগত তথা কানৈ মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ আৰু সমাজতত্ত্ব বিভাগৰ যৌথ সহযোগত ২০২৩ চনৰ ২৯ মে'ত সংঘটিত এক মৰ্মান্তিক পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা অসম অভিযান্ত্ৰিক মহাবিদ্যালয়, জালুকবাৰী, গুৱাহাটীৰ ৭ নং ছাত্ৰাৱাসৰ সাতগৰাকী শিক্ষাৰ্থীৰ সোঁৱৰণত অনুষ্ঠিত 'সপ্তজ্যোতি' শীৰ্ষক সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতাৰ আৰম্ভণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমান ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনে আজি এইদৰে কয়। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ লালচান্দ ৮ পিঠিলৈ

হৈছে। এজন
হৈছে। আৰ
উদ্ধাৰ হোৱা
মূল্য প্ৰায় ১
ঘটনাত নাগাম
বছৰীয়া যুবক
মণিপুৰৰ চু
বাসিন্দা বুলি
গোপন সূত্ৰ
ভিত্তিত যো
ড্ৰাগছ সৰবৰা
চলায়। নাক
মিজোৰামৰ প
বলেৰো (এ
জব্দ কৰা হয়
তালাচী চলো
যাবা টেবলেট
ফ'ন উদ্ধাৰ ক
অনুসৰি,
টেবলেটসমূহ
মেথামফেটাম

